**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 08-01-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

----------------------

১।　ডিমা হাচাও জিলাৰ উমৰাংছ’ৰ কয়লাখনিত আবদ্ধ শ্ৰমিকসকলৰ উদ্ধাৰৰ বাবে প্ৰতিকূল বতৰকো নেওচি অভিযান অব্যাহত।

২।　মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ নতুন দিল্লীত বিনিয়োগকাৰী শীৰ্ষ সন্মিলন-এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণ সন্দৰ্ভত ৩৭ খনতকৈ অধিক দেশৰ ৰাষ্ট্ৰদূত আৰু বাণিজ্যিক প্ৰতিনিধিক সাক্ষাৎ।

৩।　তীববতৰ টিংৰি অঞ্চলত অনুভূত ৭ দশমিক ১ প্ৰাবল্যৰ বিধবংসী ভূমিকম্পত প্ৰাণ হেৰুওৱা লোকৰ সংখ্যা ১২৮ লৈ বৃদ্ধি　।

৪।　দুদিনীয়া অসম ভ্ৰমণসূচীৰে কালি গুৱাহাটীত উপস্থিত হোৱা বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি তথা কেন্দ্ৰীয় মন্ত্ৰী জগত প্ৰকাশ নাড্ডাৰ আজি পুৱা তেজপুৰলৈ যাত্ৰা।

**আৰু**

৫।　অহা ১৩ জানুৱাৰীত নতুন দিল্লীৰ ইন্দিৰা গান্ধী ইনড’ৰ ষ্টেডিয়ামত খো-খো বিশ্বকাপ ২০২৫ ।

০০০০০০

ডিমা হাচাও জিলাৰ উমৰাংছ’ৰ কয়লাখনিত আবদ্ধ শ্ৰমিকসকলৰ উদ্ধাৰ অভিযান যোৱা নিশা প্ৰতিকূল বতৰৰ বাবে স্থগিত ৰখা হয়। আমাৰ ডিমা হাছাওৰ সংবাদদাতাই জনোৱা খবৰ অনুসৰি কালি অঞ্চলটোত হোৱা প্ৰবল বৰষুণৰ বাবে উদ্ধাৰ অভিযানত ব্যাঘাত জন্মে। সম্প্ৰতি কয়লা খনিটোত আবদ্ধ হৈ থকা শ্ৰমিকসকলক উদ্ধাৰৰ বাবে নৌসেনা, এন ডি আৰ এফ, এছ ডি আৰ এফ, সেনাবাহিনী, স্থানীয় আৰক্ষী, অগ্নিনিৰ্বাপক বাহিনীৰ যৌথ প্ৰচেষ্টাত অভিযান অব্যাহত আছে।

**বাইট**

উল্লেখযোগ্য যে কালিৰে পৰা ক’ল ইণ্ডিয়াৰ এটা দলেও উদ্ধাৰ অভিযানত সহযোগ কৰি আছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি কয়লা মন্ত্ৰী জি কিষাণ ৰেড্ডীৰ সৈতে বৈঠকত মিলিত হোৱাৰ পাছত সাংবাদিকৰ আগত এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে কয়লাখনিটোত ১০০ ফুট পৰ্যন্ত পানী সোমাইছে আৰু নৌসেনাই পানীৰ মাজতে উদ্ধাৰ অভিযান চলাইও সফল হোৱা নাই। সেয়েহে খনিলৈ যোৱা এন্দুৰৰ গাঁত সদৃশ পথবোৰত আজি অভিযান চলোৱা হ’ব বুলি তেওঁ জানিবলৈ দিয়ে। অবৈধভাৱে কয়লা খননৰ বিষয়টো চোৱা-চিতা কৰিবলৈ আৰক্ষীক নিৰ্দেশ দিয়া হৈছে বুলি তেওঁ কয়। খনিটোৰ পৰা পানী উলিওৱাৰ বাবে কেইবাটাও পাম্প ব্যৱহাৰ কৰা হৈছে।

এই ঘটনাৰ তদন্তৰ বাবে অসম আৰক্ষীয়ে খনি আৰু খনিজ আইন ১৯৫৭ৰ অধীনত অৱহেলাজনিত কাৰণত প্ৰাণহানি হোৱাৰ অভিযোগত উমৰাংছ’ থানাত এখন এজাহাৰ পঞ্জীয়ন কৰিছে। এই গোচৰ অনুসৰি ইতিমধ্যে পুনিছ নুনিছা নামৰ এজন লোকক আটক কৰা হৈছে।

০০০০০০

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই নতুন দিল্লীত বিনিয়োগকাৰী শীৰ্ষ সন্মিলন-এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণ সন্দৰ্ভত ৩৭ খনতকৈ অধিক দেশৰ ৰাষ্ট্ৰদূত আৰু বাণিজ্যিক প্ৰতিনিধিসকলক কালি সাক্ষাৎ কৰে। সাক্ষাৎকালত ড° শৰ্মাই কয়, যে এছিয়াৰ প্ৰৱেশদ্বাৰ হিচাপে চুবুৰীয়া দেশসমূহৰ সৈতে সম্পৰ্ক শক্তিশালী কৰাৰ ক্ষেত্ৰত অসম, দেশৰ এক্ট ইষ্ট নীতিৰ গুৰুত্বপূৰ্ণ অংশ। বৈঠকত মুখ্যমন্ত্ৰীয়ে ৰাজ্যত বিনিয়োগৰ অপাৰ সম্ভাৱনাৰ বিষয়ে অৱগত কৰে। তেওঁ লগতে ৰাষ্ট্ৰদূত আৰু বাণিজ্যিক প্ৰতিনিধিসকলক এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণত অংশগ্ৰহণ কৰিবলৈ আৰু সীমাহীন সুযোগৰ অন্বেষণ কৰিবলৈ আমন্ত্ৰণ জনায়। মুখ্যমন্ত্ৰীয়ে প্ৰথম পৰ্যায়ৰ বৈঠকত কম্বোডিয়া, ইণ্ডোনেছিয়া মালয়েছিয়া, ভূটান, বাংলাদেশ আৰু আন কেইবাখনো দেশৰ ৰাষ্ট্ৰদূতৰ সৈতে মিলিত হয়। দ্বিতীয় পৰ্যায়ৰ বৈঠকত মুখ্যমন্ত্ৰীয়ে ইউৰোপীয় দেশ, যেনে - ফিনলেণ্ড, ছুইডেন, নেডাৰলেণ্ড, ছুইজাৰলেণ্ডৰ ৰাষ্ট্ৰদূতসকলৰ সৈতে আলোচনা কৰে। একেদৰে তৃতীয় পৰ্যায়ৰ বৈঠকত তেওঁ আৰৱ আমিৰি ৰাষ্ট্ৰ, ইটালী, জাপান, ওমান, ব্ৰাজিল আৰু আন বহুতো ৰাষ্ট্ৰদূতৰ সৈতে মিলিত হয়। তিনিওখন বৈঠকতে বৈদেশিক পৰিক্ৰমা দপ্তৰৰ ৰাজ্য মন্ত্ৰী পৱিত্ৰ মাৰ্ঘেৰিটা আৰু সামৰণি অনুষ্ঠানত মন্ত্ৰী পীয়ুষ গোৱেল উপস্থিত আছে।

০০০০০০

দুদিনীয়া অসম ভ্ৰমণসূচীৰে কালি গুৱাহাটীত উপস্থিত হোৱা বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি তথা কেন্দ্ৰীয় মন্ত্ৰী জগত প্ৰকাশ নাড্ডাই আজি পুৱা তেজপুৰলৈ যাত্ৰা কৰিছে। শ্ৰী নাড্ডাই কিছু সময়ৰ পাছতে তেজপুৰৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আঞ্চলিক মানসিক স্বাস্থ্য প্ৰতিষ্ঠানত এটা অনুষ্ঠানত অংশগ্ৰহণ কৰিব। তেওঁ দুপৰীয়া মঙলদৈত উপস্থিত হৈ দিনৰ ১২ বজাত মঙলদৈ অসামৰিক চিকিৎসালয়ত নিৰ্মাণ কৰিবলগীয়া ক্ৰিটিকেল কেয়াৰ ইউনিটৰ আধাৰশিলা স্থাপন কৰিব। আমাৰ মঙলদৈৰ সংবাদদাতাই জনোৱা মতে প্ৰধানমন্ত্ৰী আয়ুস্মান ভাৰত স্বাস্থ্য আন্তঃগাঁথনি অভিযানৰ অধীনত ২৩ কোটি ৭৫ লাখ টকা ব্যয়েৰে নিৰ্মাণ কৰিবলগীয়া এই ক্ৰিটিকেল কেয়াৰ ইউনিটটো সম্পূৰ্ণ হৈ উঠিলে দৰং আৰু ওদালগুৰি জিলাৰ স্বাস্থ্য খণ্ডত প্ৰভূত উন্নতি সাধন হ’ব। ইয়াৰ পাছত তেওঁ মঙলদৈ অসামৰিক চিকিৎসালয় পৰিসৰত স্থাপিত দৰং কৰ্কট কেন্দ্ৰ, গেৰিমাৰীত নিৰ্মীয়মান অসম দক্ষতা বিশ্ববিদ্যালয় আৰু ১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ চাৰি লেনযুক্ত বাইপাছৰ নিৰ্মাণকাৰ্য পৰিদৰ্শন কৰিব। শ্ৰী নাড্ডাই আজি ছিপাঝাৰ অসামৰিক চিকিৎসালয়ো পৰিদৰ্শন কৰাৰ লগতে মঙলদৈত জিলা আয়ুক্তৰ সভাকক্ষত জিলাখনৰ মুৰববী বিষয়াসকলৰ সৈতে বিভিন্ন আঁচনিৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰিব। এই ভ্ৰমণকালত তেওঁক মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, দৰং-ওদালগুৰিৰ সাংসদ দিলীপ শইকীয়া আৰু দৰঙৰ কেইবাগৰাকীও বিধায়কে সংগ দিব বুলি আমাৰ সংবাদদাতাই জনাইছে। তেওঁ আবেলি গুৱাহাটীৰ এইম্ছত উপস্থিত হৈ স্বাস্থ্য প্ৰতিষ্ঠানটোত চলি থকা উন্নয়নমূলক কাম-কাজৰ অগ্ৰগতিৰ পৰিদৰ্শন কৰিব।

০০০০০০

কালি পুৱা তীববতৰ টিংৰি অঞ্চলত অনুভূত ৭ দশমিক ১ প্ৰাবল্যৰ বিধবংসী ভূমিকম্পত প্ৰাণ হেৰুওৱা লোকৰ সংখ্যা ১২৮ লৈ বৃদ্ধি পাইছে। এভাৰেষ্ট শৃংগৰ পৰা ৭৫ কিলোমিটাৰ উত্তৰত অভিকেন্দ্ৰ

থকা এই ভূমিকম্পটোত তীববত আৰু নেপালত প্ৰায় ২০০ লোক আহত হয়। চুবুৰীয়া দেশ নেপালত অৱশ্যে এই ভূমিকম্পত কোনো লোকৰ প্ৰাণহানি হোৱা নাই বুলি সেই দেশৰ চৰকাৰী সূত্ৰই প্ৰকাশ কৰিছে। চীনৰ চৰকাৰী বাতৰি সংস্থা ঝিনহুৱাৰ বাতৰি অনুসৰি অভিকেন্দ্ৰৰ পৰা ২০ কিলোমিটাৰ ব্যাসাৰ্ধত থকা তিনিখন চহৰ আৰু ২৭ খন গাঁৱত ব্যাপক ধবংসলীলাৰ সৃষ্টি হয় আৰু এহেজাৰৰো অধিক বাসগৃহ ধবংসস্তুপত পৰিণত হয়। চীনৰ চৰকাৰী টেলিভিছন চেনেল চি চি টি ভিৰ বাতৰি অনুসৰি উদ্ধাৰ অভিযানত পিপলছ্‌ লিবাৰেচন আৰ্মী আৰু অগ্নি নিৰ্বাপক বাহিনীৰ কেইবাহাজাৰো লোক নিয়োজিত হৈছে। ভাৰত চৰকাৰে  তীববতৰ এই ভূমিকম্পত শতাধিক লোকৰ প্ৰাণহানিত শোক প্ৰকাশ কৰিছে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ এগৰাকী মুখপাত্ৰই কালি সামাজিক মাধ্যম এক্সত কয়, যে এই তীববতৰ এই সংহাৰী ভূমিকম্পত প্ৰাণ হেৰুওৱাসকলৰ বাবে ভাৰত চৰকাৰ দুঃখিত। ভাৰতীয় আৰু ইউৰেছিয় প্লেটৰ ঘৰ্ষণৰ ফলত সৃষ্টি হোৱা এই ভূমিকম্পই চীনে সেই দেশত য়াৰলাং ছাংপু নামে পৰিচিত ব্ৰহ্মপুত্ৰ নদৰ ওপৰত নিৰ্মাণ কৰিবলৈ প্ৰস্তাৱ কৰা পৃথিৱীৰ বৃহত্তম নদীবান্ধে সৃষ্টি কৰিবলগীয়া ভাবুকি সম্পৰ্কত বিশেষজ্ঞসকলৰ উদ্বিগ্নতা বৃদ্ধি কৰিছে।

০০০০০০

কলিয়াবৰৰ কামাখ্যা গাঁও আৰু মিৰিভেটি গাঁৱত বিগত কিছুদিন ধৰি বাঘৰ উপদ্ৰৱৰ ফলত অঞ্চলটোৰ ৰাইজে সন্মুখীন হোৱা সমস্যাৰ সমাধান সূত্ৰ উলিওৱাৰ বাবে কালি কলিয়াবৰত বন আৰু পৰিবেশ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী আৰু ৰাজহ মন্ত্ৰী কেশৱ মহন্ত এখন উচ্চ পৰ্যায়ৰ বৈঠকত মিলিত হয়। বৈঠকত শেহতীয়াকৈ কলিয়াবৰত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ পৰা খাদ্যৰ সন্ধানত ওলাই অহা বাঘৰ বিচৰণ আৰু জনসাধাৰণৰ নিৰাপত্তাজনিত বিষয় লৈ আলোচনা কৰা হয়। অঞ্চলটোত বৈদ্যুতিক বেৰ নিৰ্মাণ, পহৰাৰ বাবে পৰ্যাপ্ত বনকৰ্মীৰ তহলৰ ব্যৱস্থা কৰা সন্দৰ্ভত সিদ্ধান্ত গ্ৰহণ কৰা হয়। তদুপৰি শিলঘাট আৰু জখলাবন্ধাৰ বন সুৰক্ষা কৰ্মীয়ে নিয়মিতভাৱে অঞ্চলটো নিৰীক্ষণ কৰি থকাৰ উপৰি অতিৰিক্তভাৱে ১২ জন বন সুৰক্ষা কৰ্মী নিয়োগৰ ব্যৱস্থা কৰা হৈছে। বাঘৰ বিচৰণত বাধাৰ সৃষ্টিৰ বাবে স্থাপন কৰা বেৰ ৰাইজৰ অসুবিধা নোহোৱাকৈ সঠিক স্থানত নিৰ্মাণ কৰাৰ উপৰি অতিৰিক্ত ৭ কিলোমিটাৰ বৃদ্ধি কৰাৰ বাবেও সিদ্ধান্ত লোৱা হয়। বাঘে উপদ্ৰৱ  চলোৱা এলেকাত সৌৰ শক্তিচালিত বিজুলীবাতিৰ ব্যৱস্থা আৰু কলিয়াবৰ চাহ বাগিচাত বাঘৰ ওপৰত দৃষ্টি ৰখাৰ বাবে পাঁচটা টঙী ঘৰ সজাৰ কথাও এই বৈঠকত আলোচনা কৰা হয়। বৈঠকত জিলা আয়ুক্ত নৰেন্দ্ৰ কুমাৰ শ্বাহ, কলিয়াবৰ সম জিলাৰ সম আয়ুক্ত লিজা তালুকদাৰ, কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ সঞ্চালক সোণালী ঘোষকে ধৰি বন বিভাগৰ ভালেসংখ্যক জ্যেষ্ঠ বিষয়া উপস্থিত থাকে।

০০০০০০

কেন্দ্ৰীয় চৰকাৰৰ অসামৰিক যোগান তথা সামাজিক ন্যায় বিভাগৰ ৰাজ্যমন্ত্ৰী বনৱাৰীলাল বাৰ্মা কালি দুদিনীয়া ভ্ৰমণসূচীৰে তিনিচুকীয়াত উপস্থিত হয়। মন্ত্ৰীগৰাকীয়ে জিলা আয়ুক্তৰ কাৰ্যালয়ত জিলাখনৰ বিভিন্ন উন্নয়নমূলক কাম-কাজ সন্দৰ্ভত এখন পৰ্যালোচনা বৈঠকত অংশগ্ৰহণ কৰে। তেওঁ প্ৰধানমন্ত্ৰী মোদীৰ চিন্তা আৰু কৰ্মপদ্ধতিৰ বিষয়ে উল্লেখ কৰি কয় যে দেশৰ প্ৰতিটো অঞ্চলেই উন্নয়নৰ দিশত আগবাঢ়ি যোৱাটো প্ৰধানমন্ত্ৰীয়ে বিচাৰে। বৈঠকৰ আৰম্ভণিতে তিনিচুকীয়াৰ জিলা আয়ুক্ত স্বপ্নীল পালে জিলাখনত চলি থকা বিভিন্ন কেন্দ্ৰীয় আঁচনিসমূহৰ অগ্ৰগতিৰ চমু খতিয়ান দাঙি ধৰে। মন্ত্ৰীগৰাকীয়ে আজি তিনিচুকীয়া অসামৰিক চিকিৎসালয়ত শাৰিৰীকভাৱে বাধাগ্ৰস্ত লোকসকলৰ বাবে স্থাপন কৰা মিছন থ'তফুলৰ স্থায়ী কেন্দ্ৰ এটা আনুষ্ঠানিকভাৱে উদ্বোন কৰিব।

০০০০০০

দেশ এটা নিৰ্বাচনৰ সৈতে জড়িত দুখন বিধেয়ক সন্দৰ্ভত আজি যুটীয়া সংসদীয় সমিতিৰ প্ৰথমখন বৈঠক অনুষ্ঠিত হ'ব। উল্লেখযোগ্য যে আনুষ্ঠানিকভাৱে সংবিধান বিধেয়ক ২০২৪ আৰু কেন্দ্ৰীয়শাসিত অঞ্চল আইন সংশোধনী বিধেয়ক ২০২৪ হিচাপে বিধেয়ক দুখনৰ নামৰ প্ৰস্তাৱিত কৰা হৈছে। লোকসভাৰ পৰা ২৭ জন আৰু ৰাজ্যসভাৰ পৰা ১২ জন সদস্যলৈ গঠিত ৩৯ জনীয়া সমিতিয়ে পৰৱৰ্তী সংসদ অধিৱেশনৰ প্ৰথম দিনা প্ৰতিবেদন দাখিল কৰিব।

০০০০০০

প্ৰতিখন বাতৰি কাকতে বহুকেইটা গুৰুত্বপূৰ্ণ বাতৰি আজি প্ৰথম পৃষ্ঠাত স্থান দিছে। **দৈনিক অসম** বাতৰি কাকতে ৩ শ্ৰমিকৰ মৃত্যু, এতিয়াও আবদ্ধ বহুজন শিৰোনামেৰে নেপাল-তীববত সীমান্তৰ ভূমিকম্পৰ বাতৰি মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। দেশত জি ডি পি বৃদ্ধিৰ হাৰ হ'ব নিম্ন এই শিৰোনামেৰে অসমীয়া প্ৰতিদিন কাকতে পৰিসংখ্যা আঁচনি ৰূপায়ণ মন্ত্ৰালয়ে প্ৰকাশ কৰা তথ্য মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। নিয়মীয়া বাৰ্তা কাকতে ৰাজধানী দিল্লীত ৩৬খন দেশৰ ৰাষ্ট্ৰদূত আৰু বাণিজ্য প্ৰতিনিধিৰে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ বৈঠকত অসমত উদ্যোগীকৰণে ৰচিব নতুন ইতিহাস বুলি কৰা মন্তব্য মুখ্য বাতৰি হিচাপে স্থান দিছে। উমৰাংছ'ৰ কয়লা খনিত সেনাৰ হেলিকপ্তাৰ আৰু নৌসেনাৰ ডুবাৰুৰ অভিযান অব্যাহত থকাৰ পৰিপ্ৰেক্ষিতত মৃত্যু গহ্বৰত প্ৰাণৰ সন্ধানত শিৰোনামেৰে মুখ্য বাতৰি প্ৰকাশ কৰিছে। এই বাতৰিটোকে অন্য শিৰোনামেৰে দৈনিক অগ্ৰদূত কাকতে প্ৰকাশ কৰিছে। দৈনিক জনমভূমি কাকতেও এই বাতৰিটোকে খনিৰ গৰ্ভত হেৰাই গ'ল ৯ শ্ৰমিক শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। দ্য আছাম ট্ৰিবিউন আঠৈৰু দি ছেণ্টিনেল কাকতে ক্ৰমে নেপাল-তীববত সীমান্তৰ ভূমিকম্পৰ বাতৰিটোৰ লগতে এডভাণ্টেজ আছাম ২.০ বাতৰিটো ভিন ভিন শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। সহকাৰী অধ্যাপক নিযুক্তিত নেট বাধ্যতামূলক নহ'ব বুলি শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে কৰা মন্তব্য কাকতসমূহে গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে। ৫ ফেব্ৰুৱাৰীত দিল্লী বিধানসভাৰ নিৰ্বাচন, দেশত এছ এম পি ভিৰ সংক্ৰমণ বৃদ্ধিৰ পৰিপ্ৰেক্ষিতত শিশু আৰু বয়স্ক লোকৰ ক্ষেত্ৰত অধিক সতৰ্কতা অৱলম্বন কৰা বাতৰি প্ৰায়কেইখন কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

এতিয়া আমি পুনৰ বাতৰিৰ মাজলৈ ঘূৰি যাও।

০০০০০০

ভূৱনেশ্বৰত আজিৰে পৰা ১৮ সংখ্যক প্ৰবাসী ভাৰতীয় দিৱসৰ অধিৱেশন আৰম্ভ হ'ব। এই উপলক্ষে ওড়িশা চৰকাৰে ৫০ খন দেশৰ পৰা ভাৰতলৈ অহা প্ৰবাসী ভাৰতীয়- এন আৰ আইৰ সন্মুখত ৰাজ্যখনৰ চহকী সংস্কৃতি আৰু ঐতিহ্য প্ৰদৰ্শন কৰিব। যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰালয়ৰ সহযোগত আয়োজন কৰা এই দিৱসত কাইলৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অংশগ্ৰহণ কৰিব।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে পৰহিলৈ অধিৱেশনৰ বিদায় সভাত সভাপতিত্ব কৰিব।

০০০০০০

ৰাজ্য চৰকাৰৰ বিদ্যালয় শিক্ষা বিভাগে এজন শিক্ষক থকা বা এজনো শিক্ষক নথকা বিদ্যালয়সমূহত তাৎক্ষণিকভাৱে প্ৰয়োজনীয় শিক্ষক নিযুক্তি দিবলৈ সংশ্লিষ্ট জিলা প্ৰাথমিক শিক্ষা বিষয়া আৰু বিদ্যালয় পৰিদৰ্শকক নিৰ্দেশ দিছে। জিলা আয়ুক্তৰ অনুমোদনমৰ্মে জিলা প্ৰাথমিক শিক্ষা বিষয়া অথবা বিদ্যালয় পৰিদৰ্শক সকলে এনে বিদ্যালয়সমূহ সুচাৰুৰূপে পৰিচালনাৰ বাবে শিক্ষক নিযুক্তি দিব পাৰিব বুলি বিদ্যালয় শিক্ষা বিভাগে এটা নিৰ্দেশনাত প্ৰকাশ কৰিছে।

০০০০০০

ঢকুৱাখনা বিধানসভা সমষ্টিৰ ঘিলাগুৰিৰ পৰা ৰাওনাবাৰীলৈ চাৰিকোৰিয়া নদীৰ বাঢ়নী পানী প্ৰতিৰোধৰ বাবে নিৰ্মাণ হ'বলগীয়া এটা নতুন মথাউৰিৰ নিৰ্মাণ কাৰ্যৰ কালি শুভাৰম্ভ কৰা হয়। ২০২৪-২৫ বৰ্ষৰ এছ্ অ' পি ডি - জি শিতানৰ পুঁজিৰে ঢকুৱাখনা সংমণ্ডলৰ অধীনত এই মথাউৰিটো নিৰ্মাণ কৰা হ'ব। অনুষ্ঠানত বিধায়ক নৱ কুমাৰ দলেৰ সৈতে ঢকুৱাখনা পৌৰসভাৰ পৌৰপতি ৰাজীৱ দাস, জলসম্পদ বিভাগৰ কাৰ্যবাহী অভিযন্তাসহ স্থানীয় সচেতন ৰাইজ উপস্থিত থাকে।

০০০০০০

**খো খো বিশ্বকাপ ২০২৫, ১৩ জানুৱাৰীৰ পৰা ১৯ জানুৱাৰীলৈ নতুন দিল্লীৰ ইন্দিৰা গান্ধী ইনড'ৰ ষ্টেডিয়ামত,অনুষ্ঠিত হ'ব । ভাৰতীয় অলিম্পিক সন্থাৰ সহযোগত অনুষ্ঠিত হ'বলগীয়া খো খো প্ৰতিযোগিতাৰ উদ্বোধনী সংস্কৰণত ২০ টা পুৰুষৰ দল আৰু ১৯টা মহিলাৰ দলে প্ৰতিদ্বন্দ্বিতা কৰিব। পুৰুষ আৰু মহিলা উভয় শাখাৰ বাবে গ্ৰুপ পৰ্যায়ৰ পৰা প্ৰতিযোগীতা আৰম্ভ হ'ব। প্ৰতিটো গ্ৰুপৰ পৰা শীৰ্ষ দুটা দলে কোৱাৰ্টাৰ ফাইনেলৰ বাবে যোগ্যতা অৰ্জন কৰিব।**

০০০০০০

অসম টেনিছ্ সন্থাৰ তত্বাৱধানত গোলাঘাট টেনিছ্ ক্লাৱে আয়োজন কৰা গোলাঘাট অ'পেন সদৌ অসম জুনিয়ৰ ৰেংকিং টেনিছ প্ৰতিযোগিতাখন আজি আৰম্ভ হ'ব। ল'ৰাৰ ছিংগলছত ক্ৰমে ১০, ১২, ১৪ আৰু ১৮ বছৰ অনুৰ্দ্ধৰ লগতে ছোৱালীৰ ছিংগলছত ক্ৰমে ১০, ১৪ আৰু ১৮ বছৰ অনুৰ্দ্ধৰ ইভেণ্টত প্ৰতিযোগিতাৰ খেলসমূহ অহা ১২ জানুৱাৰীলৈ গোলাঘাট টেনিছ্ কমপ্লেক্সত অনুষ্ঠিত হ'ব। উল্লেখযোগ্য যে প্ৰাক্তন ক্ৰীড়াবিদ দিবাকৰ বৰুৱা উদ্বোধনী অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব।

০০০০০০

বতৰৰ বতৰা–

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে জনোৱা অনুসৰি অহা ২৪ ঘণ্টাত অসম, অৰুণাচল প্ৰদেশ, নাগালেণ্ড, মেঘালয়, মণিপুৰ আৰু মিজোৰামত পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আনহাতে, ত্ৰিপুৰাৰ বতৰ ফৰকাল হৈ থাকিব। অৰুণাচলৰ বিভিন্ন উচ্চ অঞ্চলত পাতলীয়া ধৰণে বৰফ পৰাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৬ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ১৫ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই জানিবলৈ দিছে। কালি গুৱাহাটীৰ সৰ্বোচ্চ তাপমাত্ৰা আছিল ২৮ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা আছিল ১৪ দশমিক ৯ ডিগ্ৰী ছেলছিয়াছ।

০০০০০০

সমাপ্ত